**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-07-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিম বংগৰ দুৰ্গাপুৰত ৫ হাজাৰ কোটি টকাৰো অধিক মূল্যৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে বৰ্তমানৰ চৰকাৰখনে পিছপৰা অঞ্চলসমূহৰ লগতে পিছপৰা শ্ৰেণীৰ লোকসকলৰ উন্নতিৰ হকে কাম কৰিবলৈ বদ্ধপৰিকৰ।

৩। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কৈছে যে বিকশিত ভাৰতৰ ইপ্সিত লক্ষ্য পাবলৈ হ'লে যুৱক-যুৱতীসকলক সঠিক পথ প্ৰদৰ্শন কৰা প্ৰয়োজন।

৪। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে ক্ৰীড়াক দেশৰ প্ৰতিখন গাঁৱৰ কাষ চপাই নিবৰ বাবে চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ চেষ্টা কৰিছে।

*আৰু*

৫। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে আজি নতুন দিল্লীৰ শাস্ত্ৰী ভৱনত মহিলা আৰোগ্য কক্ষ উদ্বোধন কৰে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিম বংগৰ দুৰ্গাপুৰত ৫ হাজাৰ কোটি টকাৰো অধিক মূল্যৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱা আন কেইবাটাও প্ৰকল্প দেশৰ নামত উচৰ্গা কৰে। এই উপলক্ষে আয়োজিত এখন ৰাজহুৱা সভাত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এই প্ৰকল্পসমূহে অঞ্চলটোৰ যোগাযোগ ব্যৱস্থা অধিক সূচল কৰি তোলাৰ লগতে গেছভিত্তিক পৰিবহন ব্যৱস্থা বৃদ্ধি কৰিব। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি ৰাজ্যখনত তেল আৰু গেছভিত্তিক কেইবাটাও প্ৰকল্প উদ্বোধন কৰে। গেছ আৰু তেলভিত্তিক অৰ্থনীতিয়ে অঞ্চলটোত দ্ৰুত গতিত উন্নয়ন সাধন কৰিব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে তীখা চহৰ হিচাপে পৰিচিত দুৰ্গাপুৰক এতিয়া এই প্ৰকল্পসমূহে নতুন গতি দিব। তেওঁ কয়, যে দুৰ্গাপুৰ কেৱল তীখাৰ চহৰ নহয়, দুৰ্গাপুৰ হৈছে ভাৰতৰ কৰ্মশক্তিৰ এক প্ৰধান কেন্দ্ৰ আৰু এই কেন্দ্ৰই দেশৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

ooooooooo

বিহাৰৰ মতিহাৰীৰ গান্ধী মৈদানত আজি অনুষ্ঠিত হোৱা এখন সভাত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে বৰ্তমানৰ চৰকাৰখন কেৱল পিছপৰা অঞ্চলসমূহেই নহয়, পিছপৰা শ্ৰেণীৰ লোকসকলৰ উন্নতিৰ হকে কাম কৰিবলৈ বদ্ধপৰিকৰ। তেওঁ লগতে কয়, যে বৰ্তমানৰ এন ডি এ চৰকাৰখনে দুখীয়া লোকসকলক আগবঢ়াই নিবলৈ বহুবোৰ কাৰ্যপন্থা গ্ৰহণ কৰিছে আৰু বৰ্তমান চলি থকা উন্নয়নমূলক

আঁচনিসমূহে এই কথাকে প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে দেশৰ পিছপৰা ১০০খন জিলাৰ বাবে বৰ্তমানৰ চৰকাৰে কেইবাখনো আশাবাদী আঁচনি গ্ৰহণ কৰিছে আৰু ১০০খন জিলাৰ কৃষিভিত্তিক উৎপাদন বৃদ্ধিৰ বাবে পি এম ধন ধন্য যোজনা আৰম্ভ কৰা হৈছে -যাৰ জৰিয়তে ১ কোটি ৭৫ লাখ খেতিয়কক উপকৃত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তেওঁ জনায় যে তেওঁৰ কাৰ্যকালতেই পিছপৰা শ্ৰেণীৰ বাবে থকা বিশেষ ৰাষ্ট্ৰীয় আয়োগে সংবিধানৰ মৰ্যাদা পাবলৈ সক্ষম হৈছে আৰু জনজাতীয় লোকসকলৰ সবলীকৰণৰ বাবে ২৫ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে প্ৰধানমন্ত্ৰী জম মন যোজনা মুকলি কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁৰ নেতৃত্বৰ চৰকাৰখনে পশ্চিম প্ৰান্তৰ দৰেই পূৰ্বাঞ্চলৰ বিকাশৰ বাবেও কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ উল্লেখ কৰে যে বৰ্তমানৰ পাটনাখন ঔদ্যোগিক উন্নতিৰ দিশত পুণেৰ দৰেই বিকশিত হৈ উঠিব লাগিব আৰু লগতে মতিহাৰী, গয়াজী, জলপাইগুৰি, বীৰভূমৰ দৰে পূৰ্বাঞ্চলীয় চহৰসমূহ মুম্বাই, গুৰুগ্ৰাম, চুৰাট, বেংগালুৰু আৰু আন আন বিকশিত চহৰসমূহৰ দৰে আগবাঢ়ি যাব লাগিব। পূৰ্বাঞ্চলীয় ৰাজ্যসমূহৰ উন্নতি নোহোৱালৈকে ভাৰতবৰ্ষ এখন বিকশিত দেশ হিচাপে প্ৰতিষ্ঠিত হ'ব নোৱাৰে বুলিও তেওঁ উল্লেখ কৰে। ভাষণ প্ৰসঙ্গত তেওঁ ৰাষ্ট্ৰীয় জনতা দল আৰু কংগ্ৰেছ দলৰ শাসনকালত বিহাৰ একেবাৰে পিছ পৰি ৰ'ল বুলি উল্লেখ কৰে। তেওঁ আৰু কয় যে ইউ পি এ চৰকাৰৰ শাসনকালত বিহাৰক মাইীআইৰ চকুৰে চোৱা হৈছিল। ইউ পি এ চৰকাৰৰ ১০ বছৰৰ কাৰ্যকালত বিহাৰলৈ মাত্ৰ ২ লাখ কোটি টকাৰ অনুদানহে আগবঢ়োৱা হৈছিল। কিন্তু বৰ্তমানৰ এন ডি এ চৰকাৰখনে ২০১৪ৰ পৰা এই পৰ্যন্ত অনুদানৰ ক্ষেত্ৰত কোনো ধৰণৰ ত্ৰুটি ৰখা নাই। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে বিহাৰৰ বিকাশৰ উদ্দেশ্যে একেলগে কাম কৰাৰ কথাও তেওঁ উল্লেখ কৰে। তেওঁ লগতে আৰ জে ডি আৰু কংগ্ৰেছৰ পক্ষে আগবাঢ়ি গৈ কাম নকৰিবলৈও যুৱ প্ৰজন্মক আহ্বান জনায়। তেওঁ জনায় যে এন ডি চৰকাৰে নৱনিযুক্ত কৰ্মচাৰীসকলৰ বাবে ১৫ হাজাৰ টকা পৰ্যন্ত উদগণিমূলক ভাট্টা প্ৰদানৰ ব্যৱস্থা কৰিছে। প্ৰধামন্ত্ৰীগৰাকীয়ে ইয়াৰ আগতে মতিহাৰীত ৭ হাজাৰ ২০০ কোটি টকা ব্যয়সাপেক্ষ বহুকেইটা বিকাশৰ আঁচনিৰো শুভাৰম্ভ কৰে।

০০০০০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কৈছে যে ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যলৈ দেশৰ যুৱক-যুৱতীসকল আগবাঢ়ি যাবলৈ হ'লে তেওঁলোকক সঠিক পথ প্ৰদৰ্শন কৰাৰ লগতে কাৰিকৰী সহায় আৰু সঠিক নীতি নিৰ্ধাৰণেৰে আগুৱাই নিয়াটো প্ৰয়োজন। আজি গুৰুগ্ৰামত অনুষ্ঠিত এখন সন্মিলনত ভাষণ দি তেওঁ কয় যে সমাজ আৰু জাতিৰ সামগ্ৰিক বিকাশত সামাজিক সংগঠনসমূহৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। অধ্যক্ষগৰাকীয়ে লগতে কয় যে বৰ্তমানৰ যুৱক-যুৱতীসকলৰ পৰিৱৰ্তিত পৰিস্থিতিত নিজকে সহজতে খাপ খোৱাই লব পৰাৰ ক্ষমতা থকাৰ লগতে ভৱিষ্যত গঢ় দিয়াৰ ক্ষমতা, আৰু জাতি নিৰ্মাণৰ প্ৰতি উদ্যম আছে। তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে যে সম্প্ৰতি যুৱক-যুৱতীসকল কেৱল চাকৰি প্ৰত্যাশী হোৱাৰ পৰিৱৰ্তে চাকৰি সৃষ্টিকাৰী হৈ পৰিছে। ভাৰতীয় গণতন্ত্ৰৰ বিষয়ে উল্লেখ কৰি লোকসভাৰ অধ্যক্ষগৰাকীয়ে কয় যে ভাৰতীয় গণতন্ত্ৰ কেৱল স্বাধীনতাৰ পিছৰ পৰিঘটনা নহয়, বৰঞ্চ আমাৰ গণতন্ত্ৰ জাতিটোৰ কৰ্মনীতি, সংস্কৃতি, আচৰণ, আধ্যাত্মিক বিশ্বাস, আৰু সমাজৰ সামূহিক কল্যাণৰ মাজত গভীৰভাৱে নিহিত হৈ আছে। তেওঁ কয় যে স্বাধীনতাৰ সময়ত বহু

দেশে ভাবি লৈছিল যে ভাৰতৰ দৰে বৃহৎ আৰু বৈচিত্ৰ্যপূৰ্ণ এখন ৰাষ্ট্ৰত গণতন্ত্ৰ সফল নহ'ব। কিন্তু ভাৰতে তেওঁলোকৰ চিন্তা ধাৰণাক ভুল বুলি প্ৰমাণ কৰিলে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে ক্ৰীড়াক ভাৰতবৰ্ষৰ প্ৰতিখন গাঁৱৰ কাষ চপাই নিবৰ বাবে চৰকাৰে সকলোখিনি ব্যৱস্থা গ্ৰহণ কৰাৰ চেষ্টা কৰিছে। নতুন দিল্লীত বিশ্ব আৰক্ষী আৰু অগ্নিনিৰ্বাপন ক্ৰীড়াৰ একবিংশ সংস্কৰণত ভাৰতীয় বাহিনীক সন্মানিত কৰি মন্ত্ৰীগৰাকীয়ে এনেদৰে মন্তব্য কৰে। তেওঁ কয় যে বিভিন্ন বয়সৰ শিশুসকলক বাছনি কৰি তেওঁলোকক সকলো ধৰণৰ ক্ৰীড়াতে বৈজ্ঞানিকভাৱে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। তেওঁ লগতে কয়, যে যোৱা বছৰত ক্ৰীড়াৰ ক্ষেত্ৰখনক গুৰুত্ব সহকাৰে আগবঢ়াই নিয়াৰ চেষ্টা চলোৱা হৈছে আৰু ক্ৰীড়াৰ ক্ষেত্ৰত থকা অনুদানো পূৰ্বৰ তুলনাত পাঁচগুণ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে ২০৩৬ চনত অনুষ্ঠিত হ'বলগীয়া অলিম্পিক ক্ৰীড়াত অংশগ্ৰহণ কৰিবলগীয়া প্ৰায় ৩ হাজাৰজন খেলুৱৈক প্ৰতি মাহে ৫০ হাজাৰ টকাকৈ সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা কৰিছে। শ্ৰীশ্বাহে লগতে ২০৩৬ বৰ্ষৰ অলিম্পিক ক্ৰীড়াত মেডেল জয়েৰে ভাৰতে প্ৰথম পাঁচখন দেশৰ ভিতৰত স্থান সুনিশ্চিত কৰিবলৈ সক্ষম হ'ব বুলিও আশা প্ৰকাশ কৰে।

০০০০০০০০০

নতুন দিল্লীৰ আকাশবাণী ভৱনত আজি আয়োজিত এটা অনুষ্ঠানত প্ৰসাৰ ভাৰতীৰ ডিজিটেল প্লেটফৰ্ম ৱেভছ্ অ' টি টিৰ জৰিয়তে **ডেল্লা বেল্লা বদলেগী কাহানী** নামেৰে ইয়াৰ চলচ্চিত্ৰৰ প্ৰথম দৰ্শনী মুকলি কৰা হয়। অনুষ্ঠানত উপস্থিত থকা প্ৰসাৰ ভাৰতীৰ সচিব নৱনীত চেহগালে ভাষণত কয়, যে ৱেভছ্ অ' টি টি হৈছে ডিজিটীয় উদ্ভাৱনৰ জৰিয়তে সেৱা প্ৰদান কৰা ভাৰতৰ ৰাজহুৱা সম্প্ৰচাৰ সেৱাৰ একমাত্ৰ মঞ্চ। শ্ৰীচেহগালে জনায়, যে প্ৰসাৰ ভাৰতীৰ উদ্দেশ্য হৈছে বিশ্বস্ত আৰু পৰিয়ালকেন্দ্ৰিক মঞ্চ সৃষ্টি কৰা, যাৰ জৰিয়তে ভাৰতৰ বৈচিত্ৰ্যময় আৰু সৃষ্টিশীল ধাৰাক একত্ৰিত কৰিব পৰা যায়। সংবাদ মাধ্যমক উদ্দেশ্যি শ্ৰীচেহগালে কয়, যে কেৱল **ডেল্লা বেল্লা** চলচ্চিত্ৰখনেই নহয়, এই মঞ্চই তথ্যচিত্ৰ, অনাতাঁৰ অনুষ্ঠান, আঞ্চলিক চিনেমা, দূৰদৰ্শনৰ অভিলেখাগাৰ, লাইভ টিভি আৰু অনলাইন বজাৰ ব্যৱস্থাকো সামৰি ল'ব। ছবিখনৰ পৰিচালক নীলেশ জৈনে কয়, যে ৱেভছ্ হৈছে দেশৰ প্ৰতি প্ৰান্তৰ দৰ্শকসকলক আকৰ্ষিত কৰিব পৰাকৈ এটা উৎকৃষ্ট মানৰ অ' টি টি প্লেটফৰ্ম।

০০০০০০০০০

জম্মু-কাশ্মীৰৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী কবিন্দৰ গুপ্তাই আজি আনুষ্ঠানিকভাৱে লাডাখৰ উপ-ৰাজ্যপাল হিচাপে দায়িত্ব গ্ৰহণ কৰে। জম্মু-কাশ্মীৰ আৰু লাডাখ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ অৰুণ পল্লীয়ে লেহৰ ৰাজ নিৱাসত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত কবিন্দৰ গুপ্তাক শপত বাক্য পাঠ কৰোৱায়।

শপত গ্ৰহণ অনুষ্ঠানৰ পিছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত তেওঁ লাডাখক উন্নত কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ ভিতৰত অন্যতম হিচাপে গঢ়ি তোলাৰ বাবে কাম কৰি যাব বুলি মন্তব্য কৰে।

০০০০০০০০০

***সমাপ্ত***